চৰকাৰী বিধেয়কৰ দৰে এনেকে পদ্ধতি অৱলম্বন কৰা হয়।

## অৰ্থসংক্ৰান্ত বিধেয়ক (Money Bill)

চৰকাৰী বিধেয়কৰ এটা প্ৰধান ভাগ হ'ল অৰ্থসংক্ৰান্ত বিধেয়ক। সাধাৰণতে যিবোৰ বিধেয়ক কৰ-কাটল আৰোপ কৰা, কৰ-কাটলৰ পৰিমাণ হ্ৰাস বৃদ্ধি কৰা, খৰচ ধাৰ্য কৰা, ঋণ গ্ৰহণ কৰা আদি বিষয়ৰ লগত জড়িত, সেই বিধেয়কবোৰকেই অৰ্থসংক্ৰান্ত বিধেয়ক বুলি গণ্য কৰা হয়। অৰ্থাৎ যিবোৰ বিধেয়ক চৰকাৰৰ আৰ্থিক বিষয়বোৰৰ লগত জড়িত হৈ থাকে সেই বিধেয়কবোৰকেই অৰ্থসংক্ৰান্ত বিধেয়ক বোলা হয়। অৰ্থসংক্ৰান্ত বিধেয়কক দুটা ভাগত ভাগ কৰিব পাৰি—

ক) ৰাজহ সংক্ৰান্ত আৰু

খ) ব্যয় মঞ্জুৰ সংক্ৰান্ত বিধেয়ক।

ভাৰতীয় সংবিধানৰ ১১০ নং অনুচ্ছেদত অৰ্থসংক্ৰান্ত বিধেয়ক সম্পৰ্কে উল্লেখ আছে। সংবিধানৰ ১১০ নং অনুচ্ছেদ অনুসৰি তলত উল্লেখ কৰা বিষয়সমূহৰ যিকোনো এটা বিষয়ৰ উল্লেখ থাকিলেই সেই বিধেয়কক অৰ্থসংক্ৰান্ত বিধেয়ক বুলি ধৰিব পাৰি।

১) কোনো কৰ ধাৰ্য কৰা, সলসলনি কৰা বা বিলোপ কৰাৰ ক্ষেত্ৰত প্ৰস্তুত কৰা বিধেয়ক।

২) ভাৰত চৰকাৰৰ ঋণসংক্ৰান্ত বিষয়ৰ ক্ষেত্ৰত প্ৰস্তুত কৰা বিধেয়ক।

৩) কেন্দ্ৰীয় সঞ্চিত নিধিৰ পৰা অৰ্থবিনিয়োগ কৰাৰ ক্ষেত্ৰত প্ৰস্তুত কৰা বিধেয়ক।

৪) কেন্দ্ৰীয় সঞ্চিত নিধিৰ হিচাপৰ বাবে ধন মঞ্জুৰি কৰা সম্পৰ্কত প্ৰস্তুত কৰা বিধেয়ক।

## অৰ্থসংক্ৰান্ত বিধেয়কৰ বৈশিষ্ট্য

অৰ্থসংক্ৰান্ত বিধেয়কৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যবোৰ হ'ল—

১) অৰ্থসংক্ৰান্ত বিধেয়ক কেৱল মাত্ৰ লোকসভাতহে উত্থাপন কৰিব পাৰি। অৰ্থাৎ এই বিধেয়ক ৰাজ্যসভাত উত্থাপন কৰিব নোৱাৰি।

২) অৰ্থসংক্ৰান্ত বিধেয়ক কেৱলমাত্ৰ শাসকীয় দলৰ মন্ত্ৰীসকলেহে উত্থাপন কৰিব পাৰে।

৩) ৰাষ্ট্ৰপতিৰ অনুমতি অবিহনে অৰ্থসংক্ৰান্ত বিধেয়ক উত্থাপন কৰিব নোৱাৰি।

৪) কোনো বিধেয়ক অৰ্থসংক্ৰান্ত বিধেয়ক হয়নে নহয় সেয়া লোকসভাৰ অধ্যক্ষই নিৰ্ণয় কৰে।

৫) অৰ্থসংক্ৰান্ত বিধেয়ক ৰাষ্ট্ৰপতিৰ ওচৰলৈ যেতিয়া স্বাক্ষৰৰ বাবে পঠাব তেতিয়া লোকসভাৰ অধ্যক্ষই এই বিধেয়কখন এখন অৰ্থসংক্ৰান্ত বিধেয়ক বুলি প্ৰমাণপত্ৰ দিব লাগে।

৬) ৰাষ্ট্ৰপতিয়ে অৰ্থসংক্ৰান্ত বিধেয়কত স্বাক্ষৰ দান কৰিব লাগে। তেওঁ অৰ্থসংক্ৰান্ত বিধেয়ক কেতিয়াও প্ৰত্যাখ্যান কৰিব নোৱাৰে।

৭) ৰাজ্যসভাই অৰ্থসংক্ৰান্ত বিধেয়ক সংশোধন কৰিব নোৱাৰে। অৰ্থসংক্ৰান্ত বিধেয়ক লোকসভাক সংশোধন কৰিবৰ বাবে ৰাজ্যসভাই পৰামৰ্শহে দিব পাৰে। অৱশ্যে লোকসভাই সেই পৰামৰ্শ গ্ৰহণ নকৰিবও পাৰে।

৮) ৰাজ্যসভাই ১৪ দিনৰ ভিতৰত অৰ্থসংক্ৰান্ত বিধেয়ক লোকসভালৈ ঘূৰাই পঠাব লাগিব। যদি ৰাজ্যসভাই নিৰ্দিষ্ট দিনত ঘূৰাই নপঠায় তেন্তে বিধেয়কখন গ্ৰহণ কৰিছে বুলি ধৰি লোৱা হয়।

৯) অৰ্থসংক্ৰান্ত বিধেয়ক গ্ৰহণ কৰাৰ ক্ষেত্ৰত লোকসভাই হৈছে সৰ্বেসৰ্বা।

১০) বেচৰকাৰী ভাৱে কোনো অৰ্থসংক্ৰান্ত বিধেয়ক উত্থাপন কৰিব নোৱাৰি।

**অৰ্থসংক্ৰান্ত বিধেয়ক গ্ৰহনৰ প্ৰক্ৰিয়া** (Process of Passing Money Bills)